**ইজৰাইলৰ সংসদ নেচেটত ভাষণ দিলে প্ৰধানমন্ত্ৰী মোদীয়ে (ফেব্ৰুৱাৰী 25, 2026)**

ফেব্ৰুৱাৰী 25, 2026

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জেৰুজালেমত ইজৰাইলৰ সংসদ নেচেটৰ বিশেষ পূৰ্ণাংগ সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়েই হৈছে ইজৰাইলৰ সংসদত ভাষণ দিয়া ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী।

2. নেচেটত উপস্থিত হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰীক নেচেটৰ অধ্যক্ষ মহামহিম আমিৰ ওহানাই আনুষ্ঠানিকভাৱে আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দিয়াৰ পূৰ্বে ইজৰাইলৰ প্ৰধানমন্ত্ৰী মহামহিম বেঞ্জামিন নেতান্যাহু; বিৰোধী দলৰ নেতা মহামহিম য়াইৰ লেপিড আৰু অধ্যক্ষ ওহানাই পূৰ্ণাংগ সভাত ভাষণ দি ভাৰত-ইজৰাইলৰ সম্পৰ্কৰ কথা উল্লেখ কৰাৰ লগতে শক্তিশালী দ্বিপাক্ষিক সম্পৰ্কৰ কথা দোহাৰে।

3. প্ৰধানমন্ত্ৰীয়ে এই বিশেষ সন্মানৰ বাবে অধ্যক্ষক ধন্যবাদ জনাই তেওঁৰ ভাষণ আৰম্ভ কৰে। ভাৰত আৰু ইজৰাইলৰ মাজৰ বন্ধুত্বৰ সুদৃঢ় সম্পৰ্কৰ কথা আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে দুয়োখন দেশৰ মাজত প্ৰাচীন সভ্যতাৰ সংযোগ থকাৰ লগতে বৰ্তমান প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা, নিৰাপত্তা আৰু কৌশলগত সাদৃশ্যৰ ওপৰত ভিত্তি কৰি এক শক্তিশালী সমসাময়িক অংশীদাৰিত্বও গঢ়ি উঠিছে। তেওঁ উল্লেখ কৰে যে কৃষি, গ্ৰাম্য উন্নয়ন, জল ব্যৱস্থাপনা, বহনক্ষমতা আৰু উদ্যোগৰ ক্ষেত্ৰত সহযোগিতাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সজীৱ সম্পৰ্কে এই সম্বন্ধক এক গতিশীল দৃষ্টিভংগী প্ৰদান কৰিছে। দুয়োখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্ক আৰু মানুহৰ দ্বিমুখী যাতায়াতৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইজৰাইলত থকা ভাৰতীয় সম্প্ৰদায় আৰু ভাৰতত থকা ইহুদী প্ৰব্ৰজিত জনসাধাৰণে দুয়োখন দেশৰ প্ৰগতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

4. সন্ত্ৰাসবাদৰ বিৰুদ্ধে দুয়োখন দেশৰ যি 'শূন্য সহনশীলতা'ৰ আপোচহীন নীতি, তাক স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে 7 অক্টোবৰৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে শোক প্ৰকাশ কৰে আৰু উল্লেখ কৰি কয় যে এনে নিষ্ঠুৰতাৰ কোনো যুক্তিসংগত কাৰণ থাকিব নোৱাৰে। অঞ্চলটোত স্থায়ী শান্তি আৰু স্থিৰতা স্থাপনত সহায় কৰা সকলো প্ৰচেষ্টাত তেওঁ ভাৰতৰ সমৰ্থন আগবঢ়ায়। এই সন্দৰ্ভত, তেওঁ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে সমৰ্থন কৰা গাজা শান্তি প্ৰস্তাৱৰ প্ৰতি ভাৰতৰ দৃঢ় সমৰ্থনৰ কথা দোহাৰে। ভাৰত আৰু ইজৰাইলৰ মাজত চলি থকা বহুপাক্ষিক সহযোগিতাৰ কথা উল্লেখ কৰি তেওঁ ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰ আৰু I2U2 পৰিকাঠামোৰ অধীনত দুয়োখন দেশৰ মাজত অধিক গভীৰ পাৰস্পৰিক আদান-প্ৰদানৰ আহ্বান জনায়।

5. প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ উন্নয়নৰ গাথা আলোকপাত কৰে আৰু বাণিজ্য, বিনিয়োগ, আন্তঃগাঁথনি উন্নয়ন, সেউজ বিকাশ, ষ্টাৰ্ট-আপ, ডিজিটেল সমাধান আৰু উদীয়মান প্ৰযুক্তিৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ আহ্বান জনায়, যাতে যুৱপ্ৰজন্মৰ উদ্ভাৱনী শক্তি আৰু সৃজনশীলতাক বিকশিত কৰিব পৰা যায়। দ্বিপাক্ষিক বিনিয়োগ চুক্তি সম্পন্ন হোৱাত সন্তোষ প্ৰকাশ কৰি তেওঁ অপ্ৰত্যাশিত বাণিজ্যিক সম্ভাৱনাক বাস্তৱায়িত কৰিবলৈ এক অভিলাষী মুক্ত বাণিজ্য চুক্তি  সোনকালে চূড়ান্ত কৰিবলৈ আহ্বান জনায়।

6. প্ৰধানমন্ত্ৰীয়ে ভাৰতত অলপতে গঠন কৰা ইজৰাইলৰ বাবে সংসদীয় বন্ধুত্ব গোটৰ সুযোগ গ্ৰহণ কৰি দুয়োখন সজীৱ গণতান্ত্ৰিক দেশৰ মাজত অধিক সংসদীয় আদান-প্ৰদানৰ আহ্বান জনায়। দুই সভ্যতাৰ নীতি-আদৰ্শৰ মাজত সাদৃশ্য টানি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতৰ 'বসুধৈৱ কুটুম্বকম্' (গোটেই পৃথিৱীখনেই এটা পৰিয়াল) দৰ্শন আৰু ইজৰাইলৰ টিক্কুম ওলাম (পৃথিৱীৰ নিৰাময়) নীতিয়ে এক সম্প্ৰীতিপূৰ্ণ সমাজ গঢ়াৰ ক্ষেত্ৰত দুয়োখন দেশৰ উমৈহতীয়া দৃষ্টিভংগীৰ কথাকে সূচায়। প্ৰধানমন্ত্ৰীয়ে ভাৰত-ইজৰাইলৰ সম্পৰ্কলৈ আগবঢ়োৱা অৱদানৰ বাবে নেচেটৰ সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে আৰু আগন্তুক পুৰিম উৎসৱৰ বাবে শুভকামনা জনায়।

7. ভাষণৰ অন্তত নেচেটৰ অধ্যক্ষ মহামহিম আমিৰ ওহানাই প্ৰধানমন্ত্ৰীক "মেডেল অৱ দি নেচেট" সন্মানেৰে বিভূষিত কৰে। প্ৰধানমন্ত্ৰীয়ে এই সন্মান ভাৰত আৰু ইজৰাইলৰ মাজৰ চিৰস্থায়ী বন্ধুত্বৰ নামত উৎসৰ্গা কৰে। প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণটো ইয়াত চাব পাৰিব [Link]

জেৰুজালেম

ফেব্ৰুৱাৰী 25, 2026